নিশ্চয় নবী চাল্লাল্লাহু আলাইহি অছাল্লামে গোবৰ বা হাড় আদিৰে ইস্তিঞ্জা (পৰিষ্কাৰ) কৰিবলৈ নিষেধ কৰিছে।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নিশ্চয় নবী চাল্লাল্লাহু আলাইহি অছাল্লামে গোবৰ বা হাড় আদিৰে ইস্তিঞ্জা (পৰিষ্কাৰ) কৰিবলৈ নিষেধ কৰিছে। তেখেতে আৰু কৈছে: "নিশ্চয় এইবোৰে পৰিষ্কাৰ নকৰে।" [ছহীহ] [(দাৰু কুতনী)]

প্ৰস্ৰাৱ বা পায়খানা কৰাৰ পিছত জন্তুৰ হাড়, শুকান গোবৰ বা অন্যান্য অশুচি বস্তুৰে পৰিষ্কাৰ কৰিবলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিষেধ কৰিছে, তেখেতে আৰু কৈছেঃ ইয়াৰ দ্বাৰা অপৱিত্ৰতা দূৰ নহয়, তথা ইয়াৰ দ্বাৰা পৱিত্ৰতাও অৰ্জন নহয়।

http://www.sunnah.global/hadeeth/as/show/10045